জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ২৭৯/২০২২

# কেন্দ্ৰীয় গৃহমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ উপস্থিতিত আদিবাসী বিদ্ৰোহী সংগঠনৰ সৈতে ত্ৰিপাক্ষিক শান্তি চুক্তি স্বাক্ষৰিত

## এই চুক্তিয়ে অসমত শান্তি-সম্প্ৰীতিৰ এক নতুন অধ্যায়ৰ সূচনা কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৫ ছেপ্টেম্বৰ ঃ** আজি নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰালয়ৰ নৰ্থ ব্লকস্থিত কাৰ্যালয়ত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ সৈতে পাঁচটা আদিবাসী বিদ্ৰোহী সংগঠন আৰু আন তিনিটা উগ্ৰপন্থী গোটৰ সৈতে এক ত্ৰিপাক্ষিক শান্তি চুক্তি স্বাক্ষৰিত হয়।

এই চুক্তি স্বাক্ষৰৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, ৰাজ্যৰ শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, সাংসদদ্বয় কামাখ্যা প্ৰসাদ তাছা আৰু পল্লৱ লোচন দাস, মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, গৃহ বিভাগৰ প্ৰধান সচিব নিৰজ বাৰ্মা, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত আৰু অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান হীৰেন নাথ উপস্থিত থাকে।

চুক্তি স্বাক্ষৰ কৰা আদিবাসী বিদ্ৰোহী সংগঠন কেইটা হ'ল বীৰছা কমাণ্ডো ফ'ৰ্চ (বি চি এফ), আদিবাসী পিপ'লছ্ আৰ্মী (এ পি এ), অল আদিবাসী নেশ্বনেল লিবাৰেশ্যন আৰ্মী (এ এ এন এল এ), আদিবাসী কোব্ৰা মিলিটাৰী অৱ আছাম (এ চি এম এ) আৰু চাওতাল টাইগাৰ ফ'ৰ্চ (এছ টি এফ)। আনহাতে, অন্য তিনিটা বিদ্ৰোহী গোট হৈছে বি চি এফ, এ এ এন এল এ আৰু এ চি এম এ।

এই সশস্ত্ৰ সংগঠন কেইটাই হিংসাত্মক কাৰ্য পৰিহাৰ কৰি দেশৰ আইনে প্ৰতিষ্ঠা কৰা শান্তিপূৰ্ণ গণতান্ত্ৰিক প্ৰক্ৰিয়াত যোগদান কৰিবলৈ সন্মত হৈছে। শান্তি চুক্তিত স্বাক্ষৰ কৰা সশস্ত্ৰ সংগঠনকেইটাৰ কেডাৰসকলক পুনৰসংস্থাপনৰো ব্যৱস্থা কৰা হ'ব।

উল্লেখ্য যে ২০১৬ চনৰ পৰা বি চি এফ, এ পি এ, এ এ এন এল এ, এ চি এম এ আৰু এছ টি এফ-এ চৰকাৰৰ সৈতে যুদ্ধ বিৰতি চলি আছে আৰু তেতিয়াৰে পৰা বিদ্ৰোহী সংগঠনৰ কেডাৰসকলে নিৰ্দিষ্ট শিবিৰত বাস কৰি আহিছে।

পাঁচটা বিদ্ৰোহী সংগঠন আৰু তিনিটা ফৈদৰ মুঠ ১,১৮২ জন কেডাৰে অস্ত্ৰ-শস্ত্ৰ এৰি মূলসুঁতিলৈ উভতি আহিছে। বিদ্ৰোহী সংগঠনকেইটাই ১৫৬ টা অস্ত্ৰ, ৮৮৭ টা গুলী, ২১ টা গ্ৰেণেড আৰু ৭ টা আই ই ডি কৰ্তৃপক্ষক গতাই দিয়ে।

মুখ্যমন্ত্ৰীয়ে কয় যে আজিৰ এই চুক্তিয়ে অসমত শান্তি-সম্প্ৰীতিৰ এক নতুন অধ্যায়ৰ সূচনা কৰিব।

**ছঃনিঃ/পুঃডেঃ**
**১৫/০৯/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in